অধ্যায় ১০ ঃ অসমৰ স্থাপত্য-ভাস্কৰ্য আৰু পুথিচিত্ৰ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ অসমৰ স্থাপত্য-ভাস্কৰ্য
১০.৩.১ প্ৰাক্-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য
১০.৩.২ আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য
১০.৪ অসমৰ পুথিচিত্ৰ
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমৰ স্থাপত্য-ভাস্কৰ্যসমূহৰ লগত পৰিচিত হ'ব পাৰিব
- প্ৰাক্-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যসমূহৰ বিষয়ে জানি সেইবোৰৰ গঠন ৰীতি সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- আহোম যুগৰবিভিন্ন স্থাপত্য-ভাস্কৰ্যৰ নিদৰ্শনবোৰৰ বিষয়ে আলোচনা দাঙি ধৰিব পাৰিব
- অসমত প্ৰাপ্ত মঠ-মন্দিৰসমূহৰ নিৰ্মাণ কৌশলৰ বিষয়ে জ্ঞাত হ'ব পাৰিব
- অসমৰ পুথিচিত্ৰৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব।

১০.২ পৰিচয়

এইটো 'অসমীয়া সংস্কৃতি' শীৰ্ষক পাঠ্যবিষয়ৰ ত্ৰয়োদশ অধ্যায়। ইয়াৰ আগৰ অধ্যায়টিত আপুনি সত্ৰীয়া সংস্কৃতিৰ বিষয়ে অধ্যয়ন কৰিলে। এই অধ্যায়টিত আমি অসমৰ স্থাপত্য-ভাস্কৰ্য আৰু পুথিচিত্ৰৰ বিষয়ে আলোচনা আগবঢ়াম।

অসমৰ স্থাপত্যৰ নিদৰ্শন বুলিলে প্ৰধানকৈ পুৰণি অসমত নিৰ্মাণ কৰা মঠ-মন্দিৰসমূহৰ কথাকে বুজা যায়। এইবোৰৰ উপৰি ৰজাঘৰীয়া প্ৰাসাদ, দূৰ্গ, সাঁকো আদিও পুৰণি অসমৰ স্থাপত্যৰ উৎকৃষ্ট নিদৰ্শন। এই বিভিন্ন ভাস্কৰ্য, অৰ্থাৎ মঠ-মন্দিৰ, প্ৰাসাদ, দূৰ্গ আদিৰ গাত খোদিত কৰা নানা ধৰণৰ মূৰ্তি-নক্সা আদিয়ে পুৰণি অসমৰ ভাস্কৰ্যৰ নিদৰ্শন দাঙি ধৰে। এতিয়ালৈকে আৱিষ্কাৰ হোৱা স্থাপত্য-ভাস্কৰ্যবোৰে প্ৰমাণ কৰে যে অসমৰ স্থাপত্য-ভাস্কৰ্যৰ ইতিহাস অতি প্ৰাচীন। এইবোৰত প্ৰাপ্ত গুপ্ত শৈলীৰ প্ৰভাৱে এইবোৰৰ প্ৰাচীনত্বৰ উমান দিয়ে।

সুকুমাৰ কলাৰ অন্যতম পুথিচিত্ৰৰ দিশতো অসম অতি চহকী। অসমত প্ৰাপ্ত তুলাপাত, সাঁচিপাত, মুগা কাপোৰ আদিত হেঙুল হাইতাল বোলাই আঁকা চিত্ৰসমূহ পুথিচিত্ৰৰ অন্যতম নিদৰ্শন। অসমৰ বিভিন্ন সত্ৰ, নামঘৰ, সংগ্ৰহালয়, পুথিভঁৰাল আদিত এইবোৰ সংৰক্ষিত হৈ আছে। এই অধ্যায়টোত এই সকলোবোৰ দিশৰ আলোচনা আগবঢ়োৱা হৈছে।

১০.৩ অসমৰ স্থাপত্য-ভাস্কৰ্য

স্থাপত্য কলা হ'ল স্থাপত্যকাৰে বা স্থপতিবিদে শিল, ইটা আদিৰ লগতে অন্যান্য থলুৱা সামগ্ৰীৰে মঠ-মন্দিৰ, প্ৰাসাদ, দূৰ্গ, অট্টালিকা, দ'ল-দেৱালয় আদি নিৰ্মাণ কৰা প্ৰণালী। আনহাতে, স্থাপত্যকাৰে নিৰ্মাণ কৰা সেই শিল্পকৰ্মসমূহৰ ওপৰত খোদিত কৰা বিভিন্ন নক্সা-মূৰ্তি আদিয়েই হ'ল ভাস্কৰ্য কলা। স্থাপত্য আৰু ভাস্কৰ্য কলাৰ দিশত অসম সমৃদ্ধিশালী। পুৰণি কালত অসমত নিৰ্মাণ কৰা মঠ-মন্দিৰ, প্ৰাসাদ, দূৰ্গ, অট্টালিকা, দৌল-দেৱালয় আদিয়ে অসমৰ স্থাপত্য কলাক আৰু সেই স্থাপত্যৰাজিৰ ওপৰত খোদিত কৰা বিভিন্ন নক্সা, মূৰ্তি আদিয়ে অসমৰ ভাস্কৰ্য কলাক প্ৰতিনিধিত্ব কৰে। ইয়াৰ উপৰি বিভিন্ন শিলালিপি আৰু তাম্ৰলিপিসমূহতো ভাস্কৰ্য কলাৰ নিদৰ্শন দেখিবলৈ পোৱা যায়।

অসমৰ স্থাপত্য আৰু ভাস্কৰ্য কলাৰ ইতিহাস অতি প্ৰাচীন। পুৰণি লিখিত বিৱৰণী, অভিলেখ, ধৰ্মীয় পুথি-পাঁজি আৰু পৰিব্ৰাজকৰ টোকাৰহী অধ্যয়ন কৰি এইবোৰৰ প্ৰাচীন ইতিহাসৰ বিষয়ে জানিব পাৰি। পুৰণি কালৰ পৰাই অসমৰ বিভিন্ন ঠাইত মঠ-মন্দিৰ, অট্টালিকা, প্ৰাসাদ, দূৰ্গ আদিৰ নিৰ্মাণ কাৰ্যৰ বিষয়ে এইবোৰৰ মাজেৰেই জানিব পৰা যায়। পুৰণি কালত সমগ্ৰ ভাৰতবৰ্ষতে বিভিন্ন দেৱতাৰ নামত মন্দিৰ নিৰ্মাণ কৰা হৈছিল। এই দেৱতাসকলৰ ভিতৰত শিৱ, সূৰ্য, বিষ্ণু, শক্তিয়েই আছিল অন্যতম। দেৱতাসকলৰ বাবে মন্দিৰসজাই উৎসৰ্গা কৰাটো এটা অন্যতম পৰম্পৰা আছিল। এই ক্ষেত্ৰত আমাৰ অসম ৰাজ্যও ব্যতিক্ৰম নাছিল। পুৰণি অসমত এনে পৰম্পৰাৰ বাবে মন্দিৰ নিৰ্মাণ কৰা হৈছিল। সেই কথাৰ উল্লেখ মাৰ্কণ্ডেয় পুৰাণত পোৱা যায়। চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ টোকাতো কামৰূপত শ-শ দেৱ-দেৱীৰ মন্দিৰ আছিল বুলি উল্লেখ পোৱা যায়। এইবোৰৰ উপৰি বিভিন্ন শিলালিপি আৰু তাম্ৰলিপিৰ মাজেৰেও পুৰণি অসমত যে অনেক মঠ-মন্দিৰ আছিল এই বিষয়ে গম পোৱা যায়। মুঠৰ ওপৰত অসমত আহোমসকলে ৰাজত্ব কৰাৰ আগৰপৰাই বিভিন্ন মঠ-মন্দিৰ আৰু অন্যান্য স্থাপত্য নিৰ্মাণ হৈছিল। অসমৰ স্থাপত্য আৰু ভাস্কৰ্য কলাৰ ইতিহাসক প্ৰধানভাৱে দুটা ভাগত ভাগ কৰিব পৰা যায়। এই ভাগ দুটা হ'ল—

- প্ৰাক্-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য
- আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য

অসমৰ দৰং, কামৰূপ, গোৱালপাৰা, শদিয়া, শিৱসাগৰ, নগাঁও আদি ঠাইত প্ৰাক্-আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্যৰ নানান নিদৰ্শন দেখিবলৈ পোৱা যায়। তেজপুৰৰ দ-পৰ্বতীয়া মন্দিৰৰ ভগ্নস্তূপ, বামুণী পাহাৰ, কামৰূপৰ গুৱাহাটী আৰু আশে-পাশে সিঁচৰতি হৈ থকা ঠাইসমূহত পোৱা শিলৰ ধ্বংসাৱশেষ, আমবাৰীত পোৱা বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি, কামাখ্যা মন্দিৰ, উমানন্দ

মন্দিৰ, গোৱালপাৰাৰ শ্ৰীসূৰ্য পাহাৰত পোৱা দূৰ্গা মূৰ্তি, শিৱৰ মূৰ্তি; মনসা মূৰ্তি অসমৰ পূব-প্ৰান্তৰ শদিয়াৰ তাম্ৰেশ্বৰীৰ মন্দিৰ, শিৱসাগৰৰ দেওপানী আৰু নুমলীগড়ত পোৱা বিভিন্ন দেৱ-দেৱীৰ মন্দিৰ আৰু প্ৰাসাদ তথা নগাঁৱৰ ডবকা অঞ্চলত পোৱা মঠ-মন্দিৰ আদিয়ে প্ৰাক্-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ গৌৰৱোজ্জ্বল ইতিহাসৰ পৰিচয় দাঙি ধৰে। এইবোৰৰ উপৰি বিভিন্ন তাম্ৰশাসন, শিলালিপি আৰু তাম্ৰলিপিৰ মাজেৰেও এই যুগৰ স্থাপত্য-ভাস্কৰ্যৰ নিদৰ্শন লাভ কৰিব পৰা যায়। এইসমূহৰ ভিতৰত বনমালদেৱৰ দ্বিতীয় তাম্ৰশাসনত ৰজা বনমালে নিৰ্মাণ কৰা ৰাজপ্ৰাসাদ, তেজপুৰ শাসনত উল্লেখ থকা অনুযায়ী বনমালদেৱে নিৰ্মাণ কৰা শিৱৰ বিচিত্ৰ সুধা-সৌধ, ইন্দ্ৰপালৰ শাসনত উল্লেখ থকা অনুসৰি ৰজা ৰত্নপালে নিৰ্মাণ কৰা শিৱমন্দিৰ, ভাস্কৰ বৰ্মনৰ দিনৰ কেইখনমান তাম্ৰলিপি আৰু সুৰেন্দ্ৰবৰ্মাৰ শিলালিপি আদি বিশেষভাৱে উল্লেখযোগ্য।

এই ক্ষেত্ৰত এটা কথা উল্লেখ কৰি থোৱা ভাল যে, এতিয়ালৈকে প্ৰাক্-আহোম যুগৰ যিখিনি স্থাপত্য আৰু ভাস্কৰ্যৰ নিদৰ্শন দেখিবলৈ পোৱা গৈছে, সেইসমূহ সম্পূৰ্ণৰূপে অক্ষত অৱস্থাত উদ্ধাৰ হোৱা নাই। নানা কাৰণত এই অমূল্য সম্পদসমূহ ধ্বংসপ্ৰাপ্ত হৈছে। ইয়াৰ প্ৰধান কাৰণ হিচাপে পণ্ডিতসকলে দুটা কথাৰ উল্লেখ কৰিছে। এটা হৈছে— অসমত সঘনাই হৈ থকা প্ৰাকৃতিক দুৰ্য্যোগ। অসমৰ প্ৰাকৃতিক দুৰ্য্যোগৰ ভিতৰত ভূমিকম্প, বানপানী, ধুমুহা আদি বিশেষভাৱে উল্লেখয্যেগ্য। এই দুৰ্যোগসমূহে অসমৰ ভালেমান পুৰণি স্থাপত্য-ভাস্কৰ্যক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। আনটো হৈছে বহিঃশত্ৰুৰ দ্বাৰা সময়ে সময়ে হোৱা অসম আক্ৰমণ। বহিঃশত্ৰুৰ ভিতৰত প্ৰধানভাৱে মুছলমানসকলৰ কথাকে ক'ব পাৰি। তেওঁলোকে অসম আক্ৰমণ কৰোঁতে অসম দেশৰ বিভিন্ন সম্পদ ধ্বংস কৰিছিল। তাৰ ভিতৰত তেওঁলোকে ধৰ্মীয় গোড়ামিৰ বাবে ধ্বংস কৰা এবিধ অমূল্য সম্পদ হ'ল অসমৰ মঠ-মন্দিৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পুৰণি কালত কোন কোন দেৱ-দেৱীৰ নামত ভাৰতবৰ্ষত মন্দিৰ নিৰ্মাণ হৈছিল? চমুকৈ লিখক।

(৭৫টা শব্দৰ ভিতৰত লিখক)

১০.৩.১ প্ৰাক্-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য

অসমৰ প্ৰাচীনতম স্থাপত্যৰ এটা উল্লেখনীয় নিদৰ্শন হৈছে তেজপুৰৰ পৰা তিনি মাইলৰ দূৰত্বত অৱস্থিত দ-পৰ্বতীয়া মন্দিৰৰ স্থাপত্য। এই মন্দিৰটো গুপ্ত যুগৰ শেষৰফালে নিৰ্মাণ কৰা হৈছিল বুলি পণ্ডিতসকলে অভিমত আগবঢ়াইছে। মন্দিৰটোৰ নিৰ্মাণকাল আনুমানিক পঞ্চম-ষষ্ঠ শতিকা। পণ্ডিত কনকলাল বৰুৱাই এই মন্দিৰটো ভাস্কৰ বৰ্মনৰ কোনোবা পূৰ্বপুৰুষে নিৰ্মাণ কৰিছিল বুলি অভিমত আগবঢ়াইছে। আনহাতে, প্ৰত্নতত্ত্ববিদ আৰ. ডি. বেনাৰ্জী, ৰবীন দেৱ চৌধুৰী, প্ৰদীপ শৰ্মা আদিয়ে এই মন্দিৰটো

গুপ্তযুগত ইটাৰে নিৰ্মাণ কৰা মন্দিৰসমূহৰ ভিতৰত প্ৰাচীনতম বুলিও উল্লেখ কৰিছে। দ-পৰ্বতীয়াৰ শিৱমন্দিৰটোৰ পৰা উদ্ধাৰ হোৱা ভগ্নাৱশেষৰ পৰা মন্দিৰটো পূৰ্ণাঙ্গ মন্দিৰ আছিল বুলি প্ৰত্নতত্ত্ববিদসকলে মত প্ৰকাশ কৰিছে। মন্দিৰটো পূবা-পশ্চিমীয়াকৈ সজোৱা হৈছিল। মন্দিৰটোৰ ভেটিৰ পৰা মন্দিৰটোত মণিকূট বা গৰ্ভগৃহ, মণ্ডপ আৰু অৰ্দ্ধমণ্ডপ বা মুখমণ্ডপ আছিল বুলি অনুমান কৰা হৈছে।

প্ৰাক্-আহোম যুগৰ এই মন্দিৰটোৰ তোৰণখন অক্ষত অৱস্থাত প্ৰত্নতত্ত্ববিদ-সকলে উদ্ধাৰ কৰিছে। তোৰণখন শিলেৰে নিৰ্মাণ কৰা হৈছিল। এই তোৰণখনেই গুপ্ত স্থাপত্যৰ উৎকৃষ্ট নিদৰ্শন। তোৰণখন দুটা দ্বাৰশাখা আৰু এটা শিৰপট্টীৰে নিৰ্মিত। দ্বাৰশাখা দুটাৰ তলত দুটা মূৰ্তি দেখিবলৈ পোৱা যায়। মূৰ্তি দুটা ক্ৰমে গংগা আৰু যমুনাৰ। এই দুয়োটা মূৰ্তিয়ে হাতত পুষ্পমালা লৈ বিচিত্ৰ ভঙ্গীত থিয় হৈ আছে। মূৰ্তি দুটাৰ লগত আৰু কেবাটাও সৰু সৰু মানুহৰ মূৰ্তি অঙ্কন কৰা হৈছে যিয়ে এই মূৰ্তি দুটাৰ শোভা বৰ্দ্ধন কৰিছে। আকৌ, শিৰ পট্টীত থকা পাঁচটা চন্দ্ৰশালাইও মন্দিৰটোৰ সৌন্দৰ্য দুগুণে বৃদ্ধি কৰিছে। পাঁচটা চন্দ্ৰশালাৰ প্ৰতিটোত দেৱতাৰ মূৰ্তি অঙ্কিত হৈ আছে। চন্দ্ৰশালাৰ দোমোজাত শিৱমূৰ্তি আৰু দুয়োকাষে ক্ৰমে বাঁওফালে গণ আৰু সোঁফালে সূৰ্যৰ মূৰ্তি চিত্ৰিত হৈছে। ইয়াৰ উপৰি আন দুটা চন্দ্ৰশালাত ক্ৰমে কিন্নৰ আৰু সুপৰ্ণৰ মূৰ্তি থকা দেখিবলৈ পোৱা যায়। এইখিনিতে এটা কথা উল্লেখ কৰি থোৱা ভাল যে, মন্দিৰটোৰ তোৰণখনৰ যি ভাস্কৰ্য সেয়া খ্ৰীষ্টিয় পঞ্চম আৰু ষষ্ঠ শতিকাত বাৰানসী আৰু পাটলিপুত্ৰত বিকশিত হোৱা ভাস্কৰ্যশৈলীৰ লগত প্ৰায় একে ধৰণৰ।

তেজপুৰৰ দ-পৰ্বতীয়া শিৱ মন্দিৰটোৰ উপৰি মাজগাঁও নামৰ ঠাইখনতো আন এটা মন্দিৰৰ ভগ্নাৱশেষ উদ্ধাৰ কৰা হৈছে। মাজগাঁৱৰ এই মন্দিৰটোও গুপ্ত যুগৰ শেষৰফালে নিৰ্মাণ কৰা হৈছিল। মন্দিৰটোৰ ভগ্নাৱশেষৰ পৰা স্তম্ভ, শিৰপট্টী, দ্বাৰশাখা, অধিষ্ঠানৰ শিল আদি উদ্ধাৰ হৈছে। শিৰপট্টীৰ ওপৰ অংশত পাঁচটা মন্দিৰৰ চানেকি আৰু চাৰিটা চৈত্য খিড়িকি অলংকৃত কৰা আছে। আকৌ চৈত্য খিড়িকিৰ ভিতৰত আসনতে থকা দেৱতাৰ মূৰ্তিও পোৱা গৈছে।

মাজগাঁৱৰ উপৰি তেজপুৰৰ বামুণী পাহাৰতো মন্দিৰৰ ভগ্নাৱশেষ উদ্ধাৰ কৰা হৈছে। এই মন্দিৰৰ ভগ্নাৱশেষৰ পৰা প্ৰত্নতত্ত্ববিদসকলে এখন চোতালতে সাতোটা মন্দিৰ আছিল বুলি মত প্ৰকাশ কৰিছে। ইয়াৰে এটা মন্দিৰ আকৃতিত বৃহৎ আছিল বুলি অনুমান কৰা হৈছে। বামুণী পাহাৰত নিৰ্মাণ হোৱা মন্দিৰবোৰ অষ্টম-নৱম শতিকাৰ বুলি পণ্ডিত-সকলে অভিমত আগবঢ়াইছে।

বামুণী পাহাৰৰ পিছতে তেজপুৰত কাছাৰী ঘৰ নিৰ্মাণ কাৰ্যৰ সময়ত উদ্ধাৰ হোৱা স্থাপত্য-ভাস্কৰ্যবোৰেও সেই ঠাইত যে অনেক মন্দিৰ নিৰ্মাণ হৈছিল সেই কথাৰ প্ৰমাণ দিছে। প্ৰত্নতত্ত্ববিদসকলে উদ্ধাৰ কৰা ভগ্নাৱশেষৰ পৰা অসমৰ উচ্চতম মন্দিৰটো তেজপুৰতে অৱস্থিত আছিল বুলি মত প্ৰকাশ কৰিছে। মন্দিৰটো নৱম শতিকাতে নিৰ্মিত

হৈছিল বুলি অনুমান কৰা হৈছে। মন্দিৰটো সূর্য দেৱতাৰ মন্দিৰ আছিল। মন্দিৰটোৰ দুৱাৰৰ ওপৰত থকা দহফুট তিনি ইঞ্চি দীঘল আৰু এফুট আঠ ইঞ্চি বহল চতিডালৰ পৰা আৰু তলৰ দুৱাৰদলিৰ পৰা দুৱাৰখন অতি কমেও পোন্ধৰ ফুট ওখ আৰু সেই মতে মাটিৰ পৰা শিখৰলৈকে মন্দিৰৰ উচ্চতা কমেও এশফুট আছিল বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। মন্দিৰটোৰ উদ্ধাৰ হোৱা ভগ্নাৱশেষত স্থাপত্যৰ লগতে ভাস্কৰ্যৰো বিবিধ নিদৰ্শন দেখিবলৈ পোৱা গৈছে। ইয়াত খোদাই কৰা কেতবোৰ ফুলজাৰিৰ ভাস্কৰ্যশৈলীৰ লগত ওডিসাৰ ভাস্কৰ্যৰ মিল পৰিলক্ষিত হয়। মন্দিৰটোৰ স্থাপত্য আৰু ভাস্কৰ্যশৈলীয়ে গুপ্ত শৈলীৰ উৎকৃষ্ট নিদৰ্শনৰ সাক্ষ্য বহন কৰে।

ওপৰৰ আলোচনাৰ পৰা এটা কথা প্ৰতীয়মান হয় যে তেজপুৰ নগৰখন প্ৰাচীন যুগৰ নানান কীৰ্তি স্তম্ভৰে ভৰপূৰ। তেজপুৰৰ বাহিৰেও বিশ্বনাথ, বিহালী, গমিৰি, চাৰিদুৱাৰ, গহপুৰ আদি ঠাইতো প্ৰাক্-আহোম যুগৰ স্থাপত্য- ভাস্কৰ্যৰ অনেক নিদৰ্শন পোৱা গৈছে। এই নিদৰ্শনবোৰৰ পৰা এইকেইখন ঠাইতো যে মন্দিৰ নিৰ্মাণ হৈছিল সেই কথাৰ উমান পোৱা যায়। প্ৰধানতঃ এই ঠাইবোৰত শিৱ আৰু দেৱীৰ মন্দিৰ আছিল বুলি অনুমান কৰা হৈছে। গহপুৰৰ সূৰ্যৰ মূৰ্তি আৰু চাৰিদুৱাৰৰ বেণুগোপালৰ মূৰ্তিয়ে এই ক্ষেত্ৰত বিশেষ তাৎপৰ্য বহন কৰি আছে। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ এই অঞ্চলবোৰত থকা মন্দিৰবোৰক দেখি ইংৰাজ বিষয়া বেষ্টমাকটে এই মন্তব্য কৰিছিল— "এই এলেকাত একালত কোনোবা চক্ৰৱৰ্তী ৰজাৰ ৰাজধানী আছিল বা ই হিন্দুধৰ্মৰ এক প্ৰধান কেন্দ্ৰ আছিল আৰু এই এলেকাৰ পয়োভৰ আৰু সমৃদ্ধিও আছিল লেখত ল'বলগীয়া।"

প্ৰত্নতত্ত্ববিদসকলে উপৰ্যুক্ত ঠাইসমূহৰউপৰি বামুণী পাহাৰ, শিঙৰী, গোঁসাইজুৰি, মিকিৰাটি, ন-নাথ, ৰজাবাৰী, দেৱস্থান (মৌদংগা), কাৰৈমাৰী আদি ভালেমান ঠাইত একেলগে নটা মন্দিৰৰ ভেটি আছিল বুলি অনুমান কৰিছে। সেইবোৰত নৱগ্ৰহৰ স্পষ্ট প্ৰমাণ নাই; কিন্তু ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ মূৰ্তি একেলগে পোৱা গৈছে। ইয়াৰ পৰাই প্ৰমাণিত হয় যে— শিৱ, বিষ্ণু, সূৰ্য আৰু শক্তি আদি দেৱবৃন্দৰ লগত নৱগ্ৰহৰ কেইটামান দিক্পাল বা আন উপদেৱতাৰ নামত মন্দিৰ নিৰ্মাণ কৰা হৈছিল।

তেজপুৰৰ পিছতে প্ৰাক্-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ অনেক নিদৰ্শন কামৰূপ জিলাৰ অন্তৰ্গত গুৱাহাটী আৰু ইয়াৰ আশে-পাশে অৱস্থিত নানা ঠাইত দেখিবলৈ পোৱা যায়। গুৱাহাটীৰ শুক্ৰেশ্বৰ পাহাৰত থকা জনার্দন আৰু শিৱৰ মন্দিৰটো পুৰণি প্ৰাক্-আহোম যুগৰ মন্দিৰ স্থাপত্যৰ নতুন সংস্কৰণ। জনার্দন মন্দিৰৰ উত্তৰফালে ব্ৰহ্মপুত্ৰৰ পাৰত পদ্মাসনত থকা প্ৰকাণ্ড বুদ্ধ জনার্দনৰ মূৰ্তি আৰু একেটা শিলত কটা সূৰ্যৰ মূৰ্তি, গণেশৰ মূৰ্তি, দুৰ্গাৰ মূৰ্তি আৰু মুনিৰ মূৰ্তি পোৱা গৈছে। এইবোৰৰ পৰাই গুৱাহাটীত যে অনেক মন্দিৰ আছিল সেই কথা জনা যায়। আনহাতে, গুৱাহাটীৰ উত্তৰপাৰে অৱস্থিত উত্তৰ-গুৱাহাটীতো বহুতো মন্দিৰ থকা কথা জানিব পৰা গৈছে। উত্তৰ গুৱাহাটীত এটা বিষ্ণু মন্দিৰ উদ্ধাৰ পৰা হৈছে। মন্দিৰটোত ক'লা শিলত কটা বিষ্ণুৰ অনন্ত শয়নৰ মূৰ্তি

এটা পোৱা গৈছে। বিষ্ণুৰ অনন্ত শয়নৰ এনে এটা দ্বিতীয় মূৰ্তি অসমত আজিলৈকে পোৱা নাই। ইয়াৰ বাহিৰেও উমানন্দ, উৰ্বশী, পাণ্ডু আদি ভালেমান ঠাইত অনেক দেৱ-দেৱীৰ মূৰ্তি পোৱা গৈছে। গুৱাহাটীৰ পূৱ দিশত অৱস্থিত পানীকলত বৃষভৰ ওপৰত কটা দশভূজ শিৱৰ মূৰ্তি আৰু অষ্টাদশভূজা দেৱীৰ মূৰ্তি পোৱা গৈছে। পণ্ডিতসকলে গুৱাহাটীত উদ্ধাৰ হোৱা মন্দিৰ স্থাপত্যৰ সময় আনুমানিক নৱম-দশম শতিকা বুলি অভিমত দিছে। এইবোৰৰ উপৰি গুৱাহাটীৰ আমবাৰীতো বহুতো মূৰ্তি পোৱা গৈছে। কিন্তু আমবাৰীৰ খনন কাৰ্য আধৰুৱা হোৱা বাবে তাত মন্দিৰ স্থাপত্য উদ্ধাৰ নহ'ল। সেয়ে বিশিষ্ট ভাস্কৰ যুগল দাসে কৈছে, "আমবাৰীৰ তেৰাকটাৰ 'ভেনাচ'-ৰ ইতিবৃত্ত ভেদ অসম্পূৰ্ণ হৈ ৰ'ল।"

কামৰূপ জিলাৰ গুৱাহাটীৰ উপৰি ইয়াৰ পৰা প্ৰায় ৪০ কিঃমিঃ উত্তৰে অৱস্থিত বাইহাটা চাৰিআলিৰ ওচৰৰ মদন-কামদেৱ পাহাৰতো বিভিন্ন মন্দিৰৰ স্থাপত্য আৰু ভাস্কৰ্য পোৱা গৈছে।ৰাজ্যিক প্ৰত্নতত্ত্ব বিভাগে কৰাখনন কাৰ্যতইয়াত পোন্ধৰটা মন্দিৰৰ ভেটি উদ্ধাৰ হৈছে। এইবোৰৰ পৰা এসময়ত যে এই ঠাইখন মন্দিৰ নগৰ হিচাপে পৰিচিত আছিল তেনে ধাৰণা কৰিব পৰা যায়। পণ্ডিতসকলে মদন-কামদেৱত পোৱা স্থাপত্য ভাস্কৰ্যসমূহ একাদশ-দ্বাদশ শতিকাতে নিৰ্মিত হৈছিল বুলি অভিমত আগবঢ়াইছে। মদন কামদেৱত থকা মূল মন্দিৰটোৰ (মদন কামদেৱ নামেৰে জনাজাত) গৰ্ভ গৃহত থকা উমা-মহেশ্বৰৰ মূৰ্তিটো অক্ষত অৱস্থাত উদ্ধাৰ হৈছে। খনন কাৰ্যত মন্দিৰৰ জঙঘাৰ তল অংশটো পোৱা গৈছে। কিন্তু জঙঘাৰ ওপৰৰ অংশৰপৰা শিখৰটো কালৰ কুটিল গতিত হেৰাই গৈছে। জঙঘাৰতলৰ অংশটোত বিভিন্ন মৈথুনৰত মূৰ্তি, যুঁজ বাগৰৰ দৃশ্য চিত্ৰিত হৈ আছে। মদন কামদেৱত উদ্ধাৰ হোৱা মৈথুনৰতমূৰ্তিসমূহক খাজুৰাহোৰ মন্দিৰৰ মূৰ্তিৰ লগত ৰিজাব পৰা যায়।

প্ৰাক্-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰঅনেক নিদৰ্শন গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত পোৱা গৈছে। গোৱালপাৰাৰ শ্ৰীসূৰ্য পাহাৰত পোৱা দূৰ্গা মূৰ্তি, শিৱৰ মূৰ্তি আৰু মনসা মূৰ্তিয়ে সেই ঠাইত যে অনেক দেৱ-দেৱীৰ মন্দিৰৰ স্থাপত্য আছিল তাৰেই ইংগিত বহন কৰিছে। গোৱালপাৰাত পোৱা মূৰ্তি-ভাস্কৰ্যসমূহ আনুমানিক নৱম-দশম শতিকাত নিৰ্মাণ কৰা হৈছিল। মনকৰিবলগীয়া যে, ইয়াত বিভিন্ন শতিকাৰ ভিন্ ভিন্ গঢ়ৰ তেৰাকটাৰ মূৰ্তি আৱিষ্কৃত হৈছে।সেই মূৰ্তিসমূহ সূৰ্য পাহাৰৰ কাষতে থকা এটি সংগ্ৰহালয়ত সযতনে ৰখা হৈছে।

অসমৰ পূৱ-প্ৰান্তত অৱস্থিত শদিয়াতো প্ৰাচীন স্থাপত্য-ভাস্কৰ্যৰ নিদৰ্শন দেখিবলৈ পোৱা গৈছে। তাৰ ভিতৰত উল্লেখযোগ্য নিদৰ্শন হৈছে তাম্ৰেশ্বৰী মন্দিৰৰ স্থাপত্য। তাম্ৰেশ্বৰী মন্দিৰটোক কেঁচাইখাতী মন্দিৰ বুলিও জনা যায়। এই মন্দিৰৰ ওপৰৰ চালখন তামেৰে নিৰ্মাণ কৰা হোৱা বাবে মন্দিৰটোক তাম্ৰেশ্বৰী মন্দিৰ বুলা হয়। এই মন্দিৰটোৰ মূল ৰূপটো কেতিয়াবাই ধ্বংস হৈছে। মন্দিৰটো আকাৰত সৰু আছিল।

পোন্ধৰশ শতিকাত চুটিয়াসকলে সেই মন্দিৰৰে অনুৰূপ আন এটা মন্দিৰ স্থাপন কৰিছিল বুলি জনা যায়।

অসমৰ নগাঁও জিলাতো প্ৰাক্-আহোম যুগৰ স্থাপত্য ভাস্কৰ্যৰ নানান নিদৰ্শন পোৱা গৈছে। এইখিনিতে এটা কথা উল্লেখনীয় যে, এসময়ত নগাঁৱত ডবকা নামেৰে এখন ৰাজ্য আছিল। এই ৰাজ্যখন কলা-সংস্কৃতিত বিশেষ প্ৰসিদ্ধ আছিল। যোগীজান, কাৰৈমাৰী, আকাশী-গঙ্গা, মিকিৰ আটি, মহাদেউছাল, ফুলনী, দীঘলপানী, বৰগংগা, গাছতল, বসুন্ধৰী আদি নানা ঠাইত পোৱা স্থাপত্য ভাস্কৰ্যৰ ভগ্নাৱশেষবোৰেই প্ৰাচীন ডবকা ৰাজ্যৰ গৌৰৱৰ ইংগিত বহন কৰে। খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত এই স্থাপত্য ভাস্কৰ্যবোৰ নিৰ্মাণ কৰা হৈছিল বুলি অনুমান কৰিব পৰা যায়। নগাঁৱৰ ডবকা অঞ্চলত যিবোৰ মূৰ্তি পোৱা গৈছে তাৰ সৰহ ভাগেই শিৱ আৰু বিষ্ণুৰ মূৰ্তি। কিন্তু মিকিৰ আটিত ক'লা শিলত কটা এটা বাসুদেৱৰ মূৰ্তি আৰু ডবকাত পোৱা উমালিংগৰ মূৰ্তিটো উল্লেখনীয়।এই মূৰ্তি দুটা বৰ্তমান গুৱাহাটীস্থিত ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে। বৰ্তমান নগাঁও জিলাত অক্ষত অৱস্থাত থকা মন্দিৰটো হৈছে- শিলঘাটৰ কামাখ্যা মন্দিৰ। এই মন্দিৰটোৰ বাহিৰে সেই সময়ৰ কোনো মন্দিৰৰ স্থাপত্য বৰ্তমান অক্ষত অৱস্থাত দেখিবলৈ পোৱা নাযায়। সপ্তম শতিকাৰ পৰা দশম শতিকালৈ তেজপুৰত ৰাজত্ব কৰা শালস্তম্ভ বংশৰ কোনোবা এজন ৰজাই এই মন্দিৰটো নিৰ্মাণ কৰাইছিল বুলি বনমাল বৰ্মাৰ শিলালিপিত পোৱা যায়।

প্ৰাক্-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যৰ অনেক নিদৰ্শন দেওপানী আৰু নুমলীগড় নামৰ ঠাই দুখনতো পোৱা গৈছে।প্ৰত্নতত্ত্ববিদসকলে এইদুয়োখন ঠাইতে অনেক দেৱমন্দিৰ আৰু প্ৰাসাদ আছিল বুলি অভিমত আগবঢ়াইছে। পণ্ডিতসকলে এই ঠাইবোৰত উদ্ধাৰ হোৱা স্থাপত্য-ভাস্কৰ্যবোৰ নৱম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত নিৰ্মিত হৈছিল বুলি অনুমান কৰিছে। দেওপানীৰ দেৱীদ'ল আৰু নুমলীগড়ৰ শিৱদ'ল নৱম শতিকাত নিৰ্মিত হৈছিল বুলি পণ্ডিতসকলে অভিমত দিছে।

দেওপানীত দেৱীদ'লৰ উপৰি মূৰ্তিও পোৱা গৈছে। তাৰ ভিতৰত চতুৰ্ভূজ বিষ্ণুমূৰ্তি আৰু চণ্ডীৰূপা চতুৰ্ভূজা দূৰ্গা মূৰ্তি বিশেষভাবে উল্লেখযোগ্য। এই মূৰ্তি দুটাৰ কাৰুকাৰ্যও মনকৰিবলগীয়া। দেওপানীৰ নিচিনাকৈ নুমলীগড়ত শিৱদ'লৰ উপৰি দেৱ-দেৱী, গন্ধৰ্ব- কিন্নৰ আদি সকলো প্ৰকাৰৰ মূৰ্তিয়েই উদ্ধাৰ কৰা হৈছে। তাৰে ভিতৰত এছটা শিলত খোদিত হৈ থকা এলানি নাৰীমূৰ্তিৰ চিত্ৰ অতি মনোমোহা। প্ৰতিটো নাৰীমূৰ্তিয়ে হাতত পদ্ম, মূৰত কিৰিটী, কপালত তিলক লৈ এনেদৰে হাঁহি আছে যে, তেওঁলোক যেন এজাক অপ্সৰাহে। সেয়ে বুৰঞ্জীবিদ বেণীমাধৱ বৰুৱাই এই মূৰ্তিটো দেখি এনেদৰে মন্তব্য প্ৰদান কৰিছিল— "এই হাঁহি থকা মুখবোৰত দৃষ্টি পৰিলে কেৱে প্ৰেমত নপৰাকৈ থাকিব নোৱাৰে।" নুমলীগড়ৰ এই সম্পদবিধ বৰ্তমান ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত হৈ আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ ক'ত ক'ত প্ৰাক্-আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্যৰ নিদৰ্শন দেখিবলৈ পোৱা গৈছে? এই বিষয়ে এটি টোকা প্ৰস্তুত কৰক। (৭৫টা শব্দৰ ভিতৰত লিখক)



চিন্তা-চৰ্চা কৰক ১০.১

অধিক জানিবলৈত উল্লেখ থকা কিতাপসমূহৰ জৰিয়তে পাঠত উল্লেখ কৰাখিনিৰ বাহিৰেও অসমৰ কোন কোন অঞ্চলত প্ৰাক্-আহোম যুগৰ কি কি ভগ্নাৱশেষ অৱিষ্কাৰ হৈছে সেই বিষয়ে এখন তালিকা প্ৰস্তুত কৰক। লগতে সেই স্থাপত্য-ভাস্কৰ্যসমূহৰ বিষয়ে একোটিকৈ টোকা প্ৰস্তুত কৰক।

প্ৰত্নতাত্ত্বিকসকলে প্ৰাক্-আহোম যুগৰ বিভিন্ন মঠ-মন্দিৰসমূহৰ ভগ্নাৱশেষ অধ্যয়ন কৰি সেইবোৰৰ গঠন সম্পৰ্কে কিছু কথা দাঙি ধৰিছে। প্ৰসংগত সেইখিনিৰ বিষয়েও তলত আলোচনা কৰা হ'ল—

- *তোৰণ ঃ* তোৰণ প্ৰধানতঃ মূল মন্দিৰৰ পৰা কিছু আঁতৰত মন্দিৰলৈ সোমোৱা পথত নিৰ্মাণ কৰা হয়।
- *মুখ্য দুৱাৰ ঃ* মুখ্য দুৱাৰ বা দুৱাৰমুখ হৈছে মন্দিৰলৈ সোমোৱা প্ৰৱেশ পথ। এই প্ৰৱেশপথত দুটা দ্বাৰ শাখাৰ সৈতে ওপৰত এটা শিৰপট্টী থাকে।
- *মণ্ডপ বা নাটমন্দিৰ ঃ* মণ্ডপ বা নাটমন্দিৰ হৈছে মন্দিৰৰ ভিতৰত সমবেত হোৱা কক্ষ। অসমত উদ্ধাৰ হোৱা বেছিভাগ মন্দিৰৰ মণ্ডপ নাই । কেতিয়াবা কেতিয়াবা কিছুমান মন্দিৰত অস্থায়ী মণ্ডপ সাজি লোৱা হৈছিল। তাৰ ভিতৰত দ-পৰ্বতীয়া, গুপ্তেশ্বৰ দেৱালয়, ন-নাথ থান, দেৱস্থান, ৰৰগংগা, কামাখ্যা, শিঙৰী আদি ঠাইৰ মন্দিৰসমূহত এনে অস্থায়ী মণ্ডপ দেখা যায়।
- *অন্তৰাল বা প্ৰৱেশ কক্ষ ঃ* অন্তৰাল বা প্ৰৱেশ কক্ষ হৈছে মণ্ডপৰ পৰা গৰ্ভগৃহলৈ সোমোৱা পথ বা কক্ষ।
- *গৰ্ভগৃহ বা মণিকূট ঃ* দেৱালয়ৰ মণিকূটেই হৈছে গৰ্ভগৃহ। গৰ্ভগৃহবোৰ সাধাৰণতে চাৰিচুকীয়া। মন্দিৰৰ গৰ্ভগৃহ মণ্ডপৰ তলত অৱস্থিত। সেইবাবে ইয়াত প্ৰৱেশ কৰিবলৈ হ'লে খটখটিৰে নামিব লাগে। কেতিয়াবা আকৌ গৰ্ভগৃহ বেছি দ হোৱা বাবে তাত পানী পৰিপূৰ্ণ হৈ থাকে।

প্ৰত্নতত্ত্ববিদসকলে অসমত এতিয়ালৈকে যিমানবিলাক মন্দিৰৰ ভেটি উদ্ধাৰ কৰিছে তাৰ পৰা এটা কথা প্ৰতীয়মান হয় যে অসমত পূৰ্ণাঙ্গ মন্দিৰতকৈ মঠৰ সংখ্যাহে বেছি। কেৱল মাত্ৰ শিখৰৰ সৈতে গৰ্ভগৃহ থকা মন্দিৰবোৰকে মঠ বুলি কোৱা হয়।

মঠসমূহত এটাহে দেৱতাৰ মূৰ্তি থাকে। আনহাতে, অসমত নিৰ্মাণ হোৱা মন্দিৰবিলাকৰ গৰ্ভগৃহৰ ওপৰত মুখ্য মন্দিৰ থকা দেখা যায়। এই মুখ্য মন্দিৰক বিমান বুলিও অভিহিত কৰা হয়। এই বিমানবোৰৰ ওপৰত বিভিন্ন নক্সাৰে সুশোভিত হৈ থকা শিখৰ দেখিবলৈ পোৱা যায়। শিখৰত মন্দিৰটোত উপাসনা কৰা দেৱ বা দেৱীৰ মূল চিহ্নটো দিয়া থাকে। যেনে— দেৱী বা শক্তি উপাসনাৰ চক্ৰ চাৰিচুকীয়া নক্সাৰ আধাৰত গঠিত, কেন্দ্ৰৰ পৰা ইয়াৰে চাৰিটা ওপৰলৈ উঠে আৰু পাঁচটা তললৈ নামে। দেৱী মন্দিৰৰ শিখৰত ইয়াক স্থাপন কৰা থাকে। ইয়াৰ পৰাই মন্দিৰটো কাৰ সেয়া ঠাৱৰ কৰিব পাৰি।

মন্দিৰত স্থাপন কৰা দেৱতাৰ ঠিক ওপৰত বিমান নিৰ্মাণ কৰা হয়। বিমানক মানৱ শৰীৰৰ লগত তুলনা কৰা হয়। মানৱ শৰীৰৰ দৰে বিমানকো পাদ, জংঘা, কান্ধ আৰু শিখৰ এই চাৰিটা ভাগত বিভক্ত কৰিব পাৰি । দৰাচলতে বিমানৰ অন্যতম বিভাগ শিখৰক কেন্দ্ৰ কৰিয়েই মন্দিৰৰ স্থাপত্য শৈলীৰ নামকৰণ কৰা হয়। কিন্তু অসমত কোনো এটা প্ৰাচীন মন্দিৰৰ বিমান মূল ৰূপত পোৱা নাযায়। প্ৰায়বোৰেই ভগা-ছিগা। মন্দিৰৰ অংগ শিখৰ আৰু শিৰপট্টীত থকা চানেকিসমূহৰ পৰা প্ৰাক্-আহোম যুগৰ মন্দিৰত থকা বিমানৰ বিষয়ে জানিব পৰা যায়।

অসমত উদ্ধাৰ হোৱা মন্দিৰসমূহৰ নক্সাৰ পৰা সেই মন্দিৰৰ স্থাপত্য শৈলীৰ বিষয়ে জানিব পৰা যায়। তাৰ ভিতৰত মাজগাওঁ আৰু মদন-কামদেৱত পোৱা মন্দিৰৰ নক্সাৰ পৰা সেয়া নাগৰশৈলী বা উত্তৰ ভাৰতীয় শৈলীৰ মন্দিৰৰ অনুৰূপ বুলি জানিব পৰা গৈছে।

এইবোৰৰ উপৰি স্থপতিবিদ বা পণ্ডিতসকলে মন্দিৰৰ গাটোকো চাৰিটা ভাগত ভাগ কৰিছে। তেওঁলোকে মন্দিৰৰ গাটোক থিয়কৈ চাৰিটা মূল অংশত ভাগ কৰি দেখুৱাইছে—

- পাদ বা পৃস্থ বা অধিষ্ঠান (ভেটি)
- জংঘা, ককাল বা শৰীৰ বা বেৰ।
- কান্ধ (ডিঙি) বা গণ্ডী
- শিখৰ বা মস্তক

মাটিৰ কিছু তলৰ পৰা মাটিৰ সমতললৈ পাদ বা ভেটি বুলি কোৱা হয়। পাদৰ পৰা মন্দিৰৰ জংঘা অংশ থিয় হৈ ওপৰলৈ উঠে। তাৰ পিছতে জংঘাৰ পৰা মন্দিৰৰ গা ভাগ কিছু পৰিমাণে ভিতৰফালে ঘেৰ খাই ওপৰলৈ উঠে। ইয়াকে কান্ধ বা গণ্ডী বুলি কোৱা হয়। এই অংশত গণ্ডীৰ ঠিক ওপৰতে থাকে আমলক বা আমলশিল। ইয়াৰ আকৃতি আমলখি ফলটোৰ নিচিনা। আমলকৰ ওপৰৰ অংশটোৰ নাম খোল বা খপুৰি আৰু ইয়াৰ ওপৰত কলহ বা কলসী। এই কলহ ওপৰতে থাকে, দেৱতাৰ নামত মন্দিৰটো উৎসৰ্গা কৰা হয়। কলহত সেই দেৱতাজনৰ আয়ুধ বা অস্ত্ৰ থাকে। সাধাৰণতে অসমৰ মন্দিৰসমূহৰ আয়ুধ বা অস্ত্ৰবিধ ত্ৰিশূল বা চক্ৰ হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ অসমৰ প্ৰাচীন মন্দিৰ স্থাপত্য শৈলী কোন শৈলীৰ ওচৰ চপা ? অসমৰ প্ৰাচীন স্থাপত্যচিহ্নবোৰ স্থায়ী হৈ নথকাৰ প্ৰধান কাৰণবোৰ কি কি। এটি টোকা লিখক। (১৫০টা শব্দৰ ভিতৰত লিখক)

১০.৩.২ আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য

অসমৰ স্থাপত্য আৰু ভাস্কৰ্য কলাৰ ইতিহাসত আহোম যুগৰ অৱদান অনবদ্য। প্ৰাক্-আহোম যুগৰ তুলনাত এই যুগৰ স্থাপত্য আৰু ভাস্কৰ্য কলা বিশেষভাৱে চহকী। এতিয়ালৈকে প্ৰাক্-আহোম যুগৰ যিখিনি স্থাপত্য আৰু ভাস্কৰ্য উদ্ধাৰ হৈছে সেইবোৰৰ কোনো এটাও অক্ষত অৱস্থাত নাই। সেইবোৰৰ ধ্বংসাৱশেষবোৰহে অসমৰ চুকে-কোণে সিঁচৰতি হৈ আছে। কিন্তু আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্যৰ অনেক নিদৰ্শন এতিয়াও বৰ্তমান। অসমত সঘনাই হৈ থকা প্ৰাকৃতিক দুৰ্য্যোগৰ কৱলত পৰি অনেক সম্পদ কালৰ কুটিল গ্ৰাসত হেৰাই গ'ল যদিও বৰ্তমানে অক্ষত অৱস্থাত থকা ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, জয়দ'ল, শিৱদ'ল, দলং-সাঁকো, মৈদাম, গড়-আলি আদিয়ে আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্য কলাৰ গৌৰৱোজ্জ্বল ইতিহাসৰ স্বাক্ষৰ বহন কৰি আছে। অসমৰ শিৱসাগৰ জিলাত আহোম যুগৰ এই অমূল্য সম্পদসমূহৰ স্থিতি আজিও বৰ্তমান। আহোম ৰজাসকলৰ ৰাজধানী শিৱসাগৰত হোৱা বাবে তেওঁলোকৰ স্থাপত্য আৰু ভাস্কৰ্যৰ সৰহ ভাগ নিদৰ্শন এই অঞ্চলতে পোৱা যায়। অসমৰ বিভিন্ন ঠাইতো এই যুগৰ স্থাপত্য আৰু ভাস্কৰ্যৰ অনেক নিদৰ্শন দেখিবলৈ পোৱা যায়।

এইখিনিতে এটা কথা উল্লেখ কৰি থোৱা ভাল যে, আহোম যুগৰ আৰম্ভণিতে মানুহে বাঁহ-কাঠ আদিৰে ঘৰ-বাৰী নিৰ্মাণ কৰিছিল। আনকি ৰজাসকলৰ কাৰেং, পাটঘৰ, শিঙৰীঘৰো কাঠেৰে নিৰ্মাণ কৰা হৈছিল। স্বৰ্গদেউ গদাধৰ সিংহৰ সময়লৈকে ৰজাৰ কাৰেং কাঠ-বাঁহ আদিৰে নিৰ্মাণ কৰা হৈছিল। কিন্তু পিছলৈ আহোম স্বৰ্গদেউসকলে তেওঁলোকৰ কাৰেং আৰু অন্যান্য স্থাপত্য নিৰ্মাণ কৰিবলৈ শিল-ইটা আদি ব্যৱহাৰ কৰিবলৈ ধৰে। তেওঁলোকে শিলবোৰ নগা পৰ্বতৰ পৰা সংগ্ৰহ কৰি আনিছিল। তাৰ পিছত শিলবোৰ বিভিন্ন আকাৰত কাটি ব্যৱহাৰৰ উপযোগী কৰি লৈছিল। ঘৰ আৰু অন্যান্য স্থাপত্যৰাজিৰ ভেটিত গুটীয়া শিল আৰু গাঁথনিত চটীয়া শিল ব্যৱহাৰ কৰা হৈছিল। চটীয়া শিলবোৰ কৰাল দি গাঁথনি কৰা হৈছিল। আনহাতে, তেওঁলোকে ব্যৱহাৰ কৰা ইটাবোৰো আছিল বৈশিষ্ট্যপূৰ্ণ। ইটা প্ৰস্তুত কৰিবলৈ আঠালতীয়া মাটি ব্যৱহাৰ কৰিছিল আৰু ইটাবোৰ টান কৰিবলৈ মাটিৰ লগত কৰাল মিহলোৱা হৈছিল। কৰাল থলুৱা সামগ্ৰীৰে প্ৰস্তুত কৰি তোলা হৈছিল। কৰাল প্ৰস্তুত কৰিবলৈ মিঠাতেল, ধূনা, গুৰ,

বৰালি মাছ, চুণ, হাঁহ কণী, মাটিমাহ, বৰা চাউলৰ কৰাই গুৰি ইত্যাদি সামগ্ৰীসমূহ নিৰ্দিষ্ট পৰিমাণত সানমিহলি কৰি লোৱা হৈছিল।

আহোমৰ ৰাজত্বকালত নিৰ্মাণ হোৱা সমূহ স্থাপত্যৰাজিক আলোচনাৰ সুবিধাৰ বাবে পণ্ডিতসকলে কেইটামান ভাগত ভাগ কৰিছে। এই ভাগ কেইটা হ'ল—

- ৰাজঅট্টালিকা।
- দ'ল-দেৱালয়।
- দলং-সাঁকো।
- মৈদাম।

আহোম যুগৰ ৰাজঅট্টালিকাৰ ভিতৰত গড়গাঁৱৰ কাৰেংঘৰ, ৰংপুৰৰ ৰংঘৰ আৰু তলাতল ঘৰ বিশেষভাৱে উল্লেখযোগ্য। ৰংঘৰ, কাৰেংঘৰ আৰু তলাতল ঘৰত পার্চী বা মোগলাই প্ৰভাৱ দেখা যায় যদিও তাৰ মাজেৰে অসমীয়া খনিকৰৰ নিপুণ হাতৰ পৰশ অনুভৱ কৰিব পৰি। আনহাতে, অসমৰ জনজাতিসকলৰ চাংঘৰৰ আৰ্হি ৰংঘৰত দেখিবলৈ পোৱা যায়।

ৰাজঅট্টালিকাৰ পিছতে আহোম যুগৰ স্থাপত্যৰ আন এবিধ অন্যতম নিদৰ্শন হ'ল— দ'ল-দেৱালয়। দ'লৰ ভিতৰত শিৱদ'ল, বিষ্ণুদ'ল আৰু দেৱীদ'ল বিশেষভাৱে উল্লেখযোগ্য। এই দ'লবিলাক উত্তৰ ভাৰতীয় বা নাগৰ শৈলীৰ আধাৰত নিৰ্মিত হ'লেও আহোম যুগৰ স্থাপত্যৰ এটা সুকীয়া বৈশিষ্ট্য দ'লবিলাকৰ মাজেৰে পৰিলক্ষিত হৈ উঠা দেখা যায়। শিৱদ'লত মূল শিখৰৰ উপৰি চাৰিওফালে উপশিখৰো সংযোজন কৰা হৈছে। শিৱদ'লৰ সোঁমাজত শিৱ লিঙ্গ আৰু চাৰিও দিশত গণেশ, বিষ্ণু, সূৰ্য আৰু দেৱী দুৰ্গাক প্ৰতিষ্ঠা কৰা হৈছে। সাধাৰণ শিখৰৰ সলনি দ'লটোত সোণেৰে নিৰ্মাণ কৰা কলচী আৰু তাৰ ওপৰত ত্ৰিশূল দিয়া হৈছে। শিৱদ'লৰ পিছতে শিৱসাগৰৰ বিষ্ণুদ'ল আৰু গৌৰীসাগৰৰ দেৱীদ'লৰ স্থাপত্যও বিশেষভাৱে মনকৰিবলগীয়া। বিষ্ণুদ'লৰ শিখৰত সৰু সৰু বৰ্গক্ষেত্ৰ দেখা যায়। আনহাতে, দেৱীদ'লত তিলকৰ সংযোজন কৰা হৈছে। এই দ'লকেইটাৰ উপৰি জয়সাগৰৰ পশ্চিমপাৰত আন এটা দ'ল দেখিবলৈ পোৱা যায়। এই দ'লটো 'নাতি গোসাঁইৰ দ'ল' নামে জনাজাত। দ'লটো সম্পূৰ্ণৰূপে গৌড়ীয় আৰ্হিৰ।

আহোম যুগৰ স্থাপত্যৰ আন এক উৎকৃষ্ট নিদৰ্শন হ'ল— দলং-সাঁকো। নৈ আৰু জান জুৰিৰওপৰত এই সাঁকোবোৰ নিৰ্মাণ কৰা হৈছিল।সাঁকোবোৰৰ নিৰ্মাণ কাৰ্যত শিলৰ ব্যৱহাৰ কৰা হৈছিল। চটীয়া শিল শলখা মাৰি গাঁথি সাঁকোবোৰ নিৰ্মাণ কৰা হৈছিল। আহোম যুগৰ শিল সাঁকোৰ ভিতৰত দৰিকাৰ শিল সাঁকো, ৰহদৈ শিল সাঁকো, নাফুক নৈৰ ওপৰত স্থাপিত ধোদৰ আলিৰ শিল সাঁকো, গড়গাঁৱৰ আলিত হাঁহচৰা শিল সাঁকো, জয়সাগৰৰ ওচৰত বৰ আলিৰ শিল সাঁকো, নামদাং নৈৰ শিল সাঁকো, জয়সাগৰৰ দক্ষিণে খৰিকটীয়া আলিত থকা ডিমৌৰ শিল সাঁকো আদি বিশেষভাৱে উল্লেখযোগ্য। উল্লিখিত শিল সাঁকোৰ ভিতৰত নামদাং নৈৰ শিল সাঁকোখন বিশেষ লক্ষ্যণীয়।

আহোম যুগৰ মৈদামসমূহৰ মাজেৰেও তেওঁলোকৰ স্থাপত্যবিদ্যাৰ এক অভূতপূৰ্ব পৰিচয় লাভ কৰিব পৰা যায়। উজনি অসমৰ অনেক ঠাইত মৈদাম দেখিবলৈ পোৱা যায়। মৈদামসমূহ কাঠ, ইটা আৰু কৰালেৰে ওখকৈ নিৰ্মাণ কৰা হয়।

এইবোৰৰ উপৰি আহোম যুগত পানী অহা-যোৱা কৰিবলৈ ঠায়ে ঠায়ে পকী ধোন্দ নিৰ্মাণ কৰা হৈছিল। এই পকী ধোন্দবোৰ আহোম যুগৰ স্থাপত্যৰ এক উৎকৃষ্ট নিদৰ্শন। এতিয়াও অক্ষত অৱস্থাত থকা দুটা উল্লেখনীয় পকী ধোন্দ হৈছে— ৰংপুৰ নগৰত ন-দুৱাৰৰ মুখৰ পকী ধোন্দ আৰু ন-আলিৰ পকী ধোন্দ। জয়সাগৰ পুখুৰীৰ পৰা ৰংপুৰৰ কাৰেঙৰ কাষত থকা 'সোণতোলা' পুখুৰীলৈ পানী অনা-নিয়াৰ বাবে নিৰ্মাণ কৰা পকী নলা এটাৰ কিছু ভগ্নাৱশেষ উদ্ধাৰ হৈছে। আনহাতে গড়গাঁৱৰ কাৰেঙৰ পৰা ৰংপুৰৰ কাৰেঙলৈকে মাটিৰ তলেদি এটা সুৰংগ আছিল বুলি কোৱা হয়।

স্থাপত্যৰ ফালৰ পৰা আহোম যুগটো যেনেদৰে চহকী ঠিক তেনেদৰে ভাস্কৰ্যৰ দিশতো এই যুগটোৰ অৱদান কোনো গুণে কম নহয়। স্থাপত্যৰ নিচিনাকৈ পণ্ডিতসকলে আহোম যুগৰ ভাস্কৰ্যকো তিনিটা প্ৰধান ভাগত ভগাইছে। এই ভাগকেইটা হ'ল—

- শিলত কটা ভাস্কৰ্য
- কাঠ খোদাই ভাস্কৰ্য
- পোৱামাটিৰ ভাস্কৰ্য

আহোম যুগৰ শিলত কটা ভাস্কৰ্যবোৰ বিশেষ উল্লেখনীয়। প্ৰধানতঃ এই ভাস্কৰ্যবোৰত দেৱ-দেৱীৰ মূৰ্তি, জীৱ-জন্তু, গছ-লতা, ফুল-পাতৰ ছবিৰ উপৰি ধৰ্মীয় দৃশ্যাৱলী আৰু ধৰ্মনিৰপেক্ষ বাস্তৱ জীৱনৰ প্ৰতিচ্ছবিও দেখিবলৈ পোৱা যায়। ইয়াৰ উপৰি কোনো কোনো ঠাইত ঐতিহাসিক ব্যক্তিৰ মূৰ্তিও পোৱা গৈছে। উদাহৰণস্বৰূপে, হৰ-গৌৰী দেৱালয়ত খোদিত হৈ থকা কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ প্ৰতিমূৰ্তি। এই মূৰ্তিটো ৰাজেশ্বৰ সিংহৰ দিনত নিৰ্মাণ কৰা হৈছিল। এই মূৰ্তিটোৰ লগতে জয়দ'লত স্বৰ্গদেউ ৰুদ্ৰসিংহই ঘোঁৰাত উঠি যোৱাৰ এটা মনোৰম দৃশ্য আৰু তাৰ লগতে আন এটা নাৰীমূৰ্তি পোৱা গৈছে। নাৰী মূৰ্তিটো সতী জয়মতীৰ বুলি ধাৰণা কৰা হৈছে। উল্লেখ্য যে, গৌৰীসাগৰৰ দ'লৰ বেৰ আৰু জয়দ'লৰ বেৰৰ ভাস্কৰ্যবোৰো বিশেষ প্ৰশংসনীয়।

শিলত কটা ভাস্কৰ্যৰ পিছতে আহোম যুগৰ ভাস্কৰ্য কলাৰ আন এক নিদৰ্শন হৈছে কাঠ খোদাই ভাস্কৰ্য। কাঠ খোদাই ভাস্কৰ্যৰ মাজেৰে অসমীয়া শিল্পীৰ উজ্বল হস্তৰ পৰিচয় লাভ কৰিব পৰা যায়। আহোম যুগত কাঠ খোদাই কামটো কৰিবলৈ কিছুমান সুকীয়া মানুহক নিয়োগ কৰা হৈছিল। তাৰ ভিতৰত বাঢ়ৈ আৰু খনিকৰ খেল অন্যতম। মানুহৰ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ ওপৰত কাঠ খোদাই ভাস্কৰ্য মূৰ্ত হৈ উঠিছিল। যেনে— খাট-পালেং, সিংহাসন, শৰাই, পেৰা, পীৰা, মুখা, মূৰ্তি, সফুৰা আদি নানা চানেকিৰে সজাই তাত ৰং সানি আটকধুনীয়া কৰি তুলিছিল। এইবোৰৰ উপৰি কাঠেৰে নিৰ্মাণ কৰা ঘৰ আৰু নাওবোৰতো বিভিন্ন নক্সা কাটি আৰু চিত্ৰ অঙ্কন কৰি সুন্দৰকৈ সজাই পৰাই তুলিছিল।

শিলত কটা ভাস্কৰ্য, কাঠ-খোদাই ভাস্কৰ্যৰ পিছতে পোৰামাটিৰ ভাস্কৰ্য কলাত আহোম যুগৰ ভাস্কৰ্যৰ আন এক আপুৰুগীয়া সম্পদ। জয়সাগৰৰ পশ্চিমপাৰত অৱস্থিত 'নাতি গোসাঁইৰ দল'টো পোৰামাটিৰ ভাস্কৰ্যৰ এক উৎকৃষ্ট নিদৰ্শন। ইয়াত ৰামায়ণৰ কাহিনী চিত্ৰিত হোৱাৰ লগতে ৰজা, শেনমেলা, পৰ্বতীয়া মানুহ আদি বিভিন্ন চিত্ৰ চিত্ৰিত হৈ থকা দেখিবলৈ পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ শিৰ দ'লৰ শিখৰত কি দেখা যায়? শিৰ দ'লৰ নিৰ্মাণ শৈলী কেনে ধৰণৰ? এই বিষয়ে এটি টোকা প্ৰস্তুত কৰক। (৭৫টা শব্দৰ ভিতৰত লিখক)



চিন্তা-চৰ্চা কৰক ১০.২

অধিক জানিবলৈত উল্লেখ থকা কিতাপসমূহৰ জৰিয়তে আহোম যুগৰ এটা উৎকৃষ্ট পোৰা মাটিৰ ভাস্কৰ্যৰ উদাহৰণ দিয়ক আৰু সেই ভাস্কৰ্যটোৰ গঠনৰীতিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

১০.৪ অসমৰ পুথিচিত্ৰ

স্থাপত্য আৰু ভাস্কৰ্যৰ পিছতে পুৰণি অসমীয়া সংস্কৃতিৰ জেউতি বঢ়োৱা আন এক আপুৰুগীয়া সম্পদ হৈছে চিত্ৰকলা। অতি প্ৰাচীন কালৰ পৰাই অসম দেশত চিত্ৰকলাৰ চৰ্চা হৈছিল। তাৰ প্ৰমাণ স্বৰূপে আমি চিত্ৰলেখাৰ চিত্ৰবিদ্যাৰ কথা উল্লেখ কৰিব পাৰোঁ। চিত্ৰলেখাই চিত্ৰবিদ্যাৰ জৰিয়তে সখীয়েক উষাই সপোনত দেখা পুৰুষজন যে অনিৰুদ্ধ আছিল সেই কথাৰ বতৰা দিছিল। এই কথাৰ পৰাই পুৰণি অসম ৰাজ্য যে চিত্ৰকলাত চহকী আছিল জানিব পৰা যায়। সপ্তদশ শতিকাৰ মাজ ভাগত অসম ভ্ৰমণ কৰিবলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ টোকাৰ পৰাও পুৰণি অসম তথা কামৰূপ ৰাজ্যতো যে চিত্ৰবিদ্যাৰ চৰ্চা অব্যাহত আছিল সেই কথাৰ উল্লেখ পোৱা যায়। হিউৱেন চাঙে কামৰূপৰ ৰজাৰ ৰাজপ্ৰাসাদত অতি মনোৰম, চালে-চকুৰোৱা চিত্ৰৰ দৰ্শন লাভ কৰিছিল বুলি কৈ থৈ গৈছে। পুৰণি কামৰূপ ৰাজ্যৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালতো চিত্ৰকলাই এখনি বিশিষ্ট স্থান অধিকাৰ কৰি থকাৰ তথ্য পোৱা যায়। বাণভট্টৰ হৰ্ষচৰিতত উল্লেখ আছে যে ভাস্কৰ বৰ্মাই কনৌজৰ ৰজা হৰ্ষবৰ্দ্ধনৰ লগত মিত্ৰতা স্থাপন কৰিবলৈ নানান উপঢৌকন পঠাইছিল। এই উপঢৌকনৰাজিৰ ভিতৰত থকা এবিধ অন্যতম সামগ্ৰী হৈছে চিত্ৰকলাৰ লগত সাঙোৰ খাই থকা নানান সা-সঁজুলি। ইয়াৰ উপৰি আছিল এখন ৰঙীন চিত্ৰপুথি। এই চিত্ৰ পুথিখনত বিশেষভাৱে কামৰূপীয় সংস্কৃতিয়ে প্ৰাধান্য লাভ কৰিছিল।কুমাৰ ভাস্কৰ বৰ্মাৰ পিছতে আমি পাল বংশআৰু শালস্তম্ভ বংশৰ ৰজাসকলৰ কথাও এইখিনিতে উল্লেখ কৰিব পাৰোঁ।

এই ৰজাসকলৰ ৰাজত্বকালত নির্মাণ হোৱা নানান স্থাপত্যৰাজিতো বিভিন্ন ধৰণৰ চিত্র অঙ্কিত হোৱাৰ কথা উল্লেখ পোৱা যায়।

অসমৰ চিত্রকলাৰ গৌৰৱময় ইতিহাসত বৈষ্ণৱ যুগ বা মধ্যযুগৰ অৱদানো কোনো গুণে কম নহয়। এই যুগৰে সুদক্ষ কলাকাৰ মহাপুৰুষ শঙ্কৰদেৱৰ হাতত চিত্রকলাই জীৱন্ত ৰূপ লাভ কৰিছিল। শঙ্কৰদেৱে চিহ্নযাত্রা ভাওনা কৰিবলৈ নিজ হাতেৰে সাত বৈকুণ্ঠৰ পট আকিছিল। ইয়াৰ উপৰি শঙ্কৰদেৱে কোচবিহাৰৰ ৰজা নৰনাৰায়ণক উপহাৰ স্বৰূপে দিয়া বৃন্দাৱনী বস্ত্রৰ চিত্রকলাইও শঙ্কৰী যুগৰ চিত্রকলাৰ উৎকৃষ্টতাৰ পৰিচয় দাঙি ধৰে।

অসমৰ চিত্রকলাৰ ইতিহাসত পুথিচিত্রসমূহেও এখনি নির্দিষ্ট স্থান অধিকাৰ কৰি থকা দেখা যায়। অসমত বৈষ্ণৱ যুগত পুথিচিত্রই বিশেষভাৱে গঢ় লৈ উঠিছিল। এই পুথিচিত্রসমূহ প্রধানভাৱে সাঁচিপাতত অঙ্কন কৰা হৈছিল। কিন্তু কেতিয়াবা কেতিয়াবা সাঁচিপাতৰ উপৰি তুলাপাত আৰু মুগা কাপোৰতো অঙ্কন কৰা হৈছিল। অসমত অতি পুৰণি কালৰ পৰাই পুথিত চিত্র অঙ্কন হৈছিল যদিও সেইবোৰ পুথিৰ চানেকি এতিয়া বিচাৰি পাবলৈ নাই। ইয়াৰ প্রধান কাৰণ হিচাপে অসমত সঘনাই হৈ থকা প্রাকৃতিক দুর্যোগ আৰু সংৰক্ষণৰ অভাৱৰ কথা উল্লেখ কৰিব পৰা যায়। প্রাকৃতিক দুর্যোগ আৰু সংৰক্ষণৰ অভাৱৰ বাবে বহুতো অমূল্য চিত্রপুথি কালৰ কুটিল গতিত লুপ্ত হৈ গ'ল। অসমত এতিয়ালৈকে উদ্ধাৰ হোৱা পুথিচিত্রসমূহ হ'ল— *চিত্র ভাগৱত (দশম স্কন্ধ), মহাভাৰত, ৰামায়ণ, কীর্ত্তন ঘোষা, নামঘোষা, আদি দশম, ভক্তি-ৰত্নাৱলী, কুমৰ হৰণ, লৱ কুশৰ যুদ্ধ, দৱং-ৰাজবংশাৱলী, শঙ্খচূড় বধ, গীত-গোবিন্দ, কল্কী পুৰাণ, আনন্দ লহৰী, হস্তী বিদ্যার্ণৱ, ধর্মপুৰাণ, অজামিল উপাখ্যান, আহোম-জ্যোতিষ, বনমালীদেৱৰ চৰিত, মৎস্য চৰিত*আৰু *সমুদ্র মন্থন*।

এই পুথিসমূহৰ সৰহভাগেই সাঁচিপতীয়া পুথি। দুই এখন তুলাপাত আৰু মুগা কাপোৰতো অংকিত কৰা পুথি পোৱা গৈছে।তাৰ ভিতৰত শিৱসাগৰত পোৱা *নামঘোষা*আৰু *আহোম-জ্যোতিষ* নামৰ পুথিদুখনৰ চিত্রসমূহ মুগা কাপোৰত অঙ্কন কৰা হৈছে।এই পুথিচিত্রসমূহৰ বিষয়বস্তু প্রধানতঃ ধর্মৰ লগত জড়িত। কিন্তু কিছুমান পুথিচিত্র ধর্মনিৰপেক্ষ। অসমত প্রাপ্ত সাঁচিপতীয়া পুথিসমূহৰ বিষয়ে সূর্যকুমাৰ ভূঞাই মন্তব্য প্রদান কৰিছে—

> এই পুথি লিখোতাসকলৰ (নকলকাৰক) পুথিত অংগসজ্জাৰ বাবে সাধাৰণতে চিত্রশিল্পী নিয়োগ কৰা হৈছিল। কেতিয়াবা লেখোঁতা নিজেই চিত্রশিল্পী আছিল, নহ'লে লিখোতাই পুথিৰ চিত্র বাবে এৰি যোৱা খালী ঠাই কোনো চিত্র শিল্পীয়ে যথাযথ চিত্রৰে পূর্ণ কৰি দিছিল। মহাকাব্যসমূহ, বিশেষকৈ ৰাজকোঁৱৰ, ডা-ডাঙৰীয়া আৰু মুখ্য গোঁসাইসকলৰ মনোৰঞ্জনার্থে লিখা পুথিসমূহ সাধাৰণতে চিত্রিত কৰা হৈছিল। কোনো কোনো ক্ষেত্র ত চিত্রসংযোগ সম্ভৱ নহ'লে, দাঁতিৰ খালী ঠাইসমূহৰ অলঙ্কৰণেই চিত্রৰ অভাৱ পুৰাইছিল। বহুতো পুথিত হিন্দু বিশ্বাস মতে ভয়ঙ্কৰ পাপৰ চিত্র আৰু অৱতাৰসমূহৰো চিত্র আছে। ধর্মনিৰপেক্ষ চিত্রসমূহত সাধাৰণতে সিংহাসন বা হাতীৰ ওপৰত বহি থকা ৰজা আৰু ৰাণীৰ চিত্র অথবা যুদ্ধক্ষেত্রৰ সৈন্যদলৰ চিত্র থাকে। চিত্রসমূহত প্রায়ে সকলো

ৰঙেই ব্যৱহৃত হ'লেও, হালধীয়া আৰু সেউজীয়া ৰঙেই আছিল আটাইতকৈ বেছি উজ্বল। এই দীৰ্ঘস্থায়ী ৰংবোৰৰ প্ৰস্তুত প্ৰণালীও আজি কাৰ্যতঃ লোপ পাইছে। শিষ্যসকলেৰে পৰিবেষ্টিত হৈ শিক্ষা মুদ্ৰা আসনত থকা শ্ৰীশঙ্কৰদেৱৰ চিত্ৰাৱলীও তেওঁৰ জীৱন চৰিতত মাজে মাজে দেখা যায়।

অসমত উদ্ধাৰ হোৱা সাঁচিপতীয়া পুথিসমূহৰ ভিতৰত এখন উল্লেখযোগ্য পুথি হৈছে *চিত্ৰভাগৱত* (দশম স্কন্ধ)। এই সাঁচিপতীয়া পুথিখনকে অসমীয়া পুথিচিত্ৰৰ প্ৰাচীনতম নিদৰ্শন বুলি অভিহিত কৰিব পৰা যায়। এই পুথিখন নগাঁও জিলাৰ বালিসত্ৰৰ পৰা উদ্ধাৰ কৰা হৈছে। এই পুথিৰ সঙ্কলনকাল ১৫৩৯ খৃষ্টাব্দ বুলি উল্লেখ হৈছে। পুথিখনিত মুঠ ২৫২ খন চিত্ৰ অঙ্কিত কৰা আছে। পুথিখনৰ আৰম্ভণিতে মহাৰাজ পৰীক্ষিত আৰু শুকদেৱৰ এখন মনোৰম চিত্ৰ অঙ্কন কৰা হৈছে। এই পুথিখনৰ উপৰি *বস্ত্ৰহৰণ, গোৱৰ্দ্ধন ধাৰণ, কালীদমন, শঙ্খচূড় বধ, ৰাসলীলা, নাৰদৰ আগমন, অক্ৰূৰৰ প্ৰত্যাৱৰ্তন, নন্দৰ বৰুণালয়, কংস বধ, বিদ্যাধৰৰ শাপ মুক্তি, বসুদেৱ দৈৱকীৰ বন্ধন মোচন, বিপ্ৰপুত্ৰ আনয়ন, অপ্সৰা গন্ধৰ্ৱৰ নৃত্য সঙ্গীতৰ সমাৰোহ, উদ্ধৱৰ মথুৰালৈ প্ৰত্যাৱৰ্তন* ইত্যাদি চিত্ৰসমূহ অঙ্কন কৰা হৈছে। এই অঙ্কন কৰা চিত্ৰসমূহ অতি বিতোপন। মহেশ্বৰ নেওগে পুথিখনিৰ চিত্ৰসমূহৰ ৰাজপুত্ৰ-মোগল চিত্ৰশৈলীৰ প্ৰভাৱ পৰা বুলি উল্লেখ কৰিছে। আন কিছুমান পণ্ডিতে এই পুথিখনিৰ চিত্ৰশৈলীৰ লগত অষ্টম শতিকাৰ ভাৰতীয় চিত্ৰশৈলীৰ নানান মিল আছে বুলি অভিহিত কৰিছে। এই পুথিখনিৰ চিত্ৰশৈলী সম্পৰ্কে মোতিচন্দ্ৰই এনেদৰে মতামত পোষণ কৰিছে—

> তুলনামূলকভাৱে পিছৰ কালৰ হ'লেও চিত্ৰসমূহৰ কলাৰূপ আৰু নন্দনতাত্ত্বিক গুণ নোহোৱা নহয়। চিত্ৰবোৰৰ কিছুমান বৈশিষ্ট্য উল্লেখযোগ্য। চিত্ৰবোৰ সাধাৰণতে ধেনুভিৰীয়া বা একা বেঁকা পেনেল বা ক্ষেত্ৰৰ পটভূমিত আঁকা হৈছে। পশ্চাদভূমি কেৱল ৰঙা, নীলা, ধূসৰ বা মুগা এটা ৰঙেৰে বোলোৱা। মানুহৰ শৰীৰ অঙ্কনত কৌণিক পদ্ধতিৰ ব্যৱহাৰ লক্ষণীয়। চকুবোৰ মাছৰ চকুৰ দৰে, চেলাউৰি ধেনুভিৰীয়া, নাক জোঙা, কপালখন বহল আৰু এঢলীয়া। কঁকাল সাধাৰণতে ক্ষীণ। এই পৰম্পৰাগত ৰীতিয়ে ছবিবোৰত নিহিত প্ৰাচীন ঐতিহ্যৰ সাক্ষ্য দিয়ে। নীলা আকাশ আৰু সুশোভিত গছ থকা নৈসৰ্গিক চিত্ৰসমূহ সৰল। ধেনুভিৰীয়া ৰেখা সমষ্টিৰে পৰ্বত বুজোৱা হৈছে। জন্তুৰ চিত্ৰবোৰ গতানুগতিক পদ্ধতিৰ। পুৰুষৰ পৰিচ্ছদত থাকে ধুতি, চেলেং (দোপাট্টা) আৰু পাগুৰি আৰু কেতিয়াবা জামা। 'তিৰোতাৰ গাত শাড়ী আৰু একোটা চোলা থাকে। চৰিত্ৰবোৰৰ গাৰ কাপোৰে সপ্তদশ শতিকাৰ অসমৰ বয়ন পদ্ধতিত আলোকপাত কৰে।

সত্ৰীয়া পুথিৰ চিত্ৰবোৰ প্ৰায়েই বৈষ্ণৱ সাহিত্যৰ কাহিনী আধাৰিত। শ্ৰীকৃষ্ণ আৰু ৰামচন্দ্ৰক বিষয়বস্তু হিচাপে লৈ চিত্ৰসমূহ আঁকা হৈছিল। ভোলানাথ দ্বিজ প্ৰণীত 'মহাভাৰতৰ শৈলপৰ্বত'খন লতাকটা পুথি। এইখন পুথিৰ পাতে পাতে নানা ধৰণৰ ফুল-পাতৰ ছবি। এখিলা পাতৰ ছবি আনখিলা পাতৰ ছবিৰ লগত নিমিলে। মনকৰিবলগীয়া যে সচিত্ৰ পুথিবোৰত সাধাৰণতে চিত্ৰকৰৰ নাম পাবলৈ নাই। আত্মপ্ৰকাশতকৈ ৰূপ সৃষ্টি ভাৰতীয় শিল্পীৰ এটা বিশেষত্ব। বহুক্ষেত্ৰত লেখকজনেই

চিত্রকৰ। সেইবাবেই বোধহয় অসমীয়া খনিকৰে চিত্র অঙ্কন কৰা তুলিকাডালক 'লিখনী' বোলে। অৱশ্যে তাৰ মাজতে নাম বিচাৰি পোৱাৰ ভিতৰত *হস্তীবিদ্যার্ণৱ* চিত্রকৰ বুলি দিলবৰ আৰু দোচাই নামে দুজন চিত্রকৰৰ নাম জনা যায়। পুথিত দিলবৰ খনিকৰে মোগল চৰিত্র আৰু দোচাই খনিকৰে আহোম চৰিত্রবোৰ চিত্রিত কৰা বুলি কয়। ইয়াৰ বাহিৰে *বনমালীদেৱৰ চৰিত* আৰু *ভাগৱত পুথিৰ* চিত্রসমূহ যথাক্রমে বিজয় খনিকৰ আৰু বোধ লিগিৰা নামৰ দুজন চিত্রকৰে আঁকা বুলি জনা যায়।

অসমত আহোম আৰু কোচৰজাসকলৰ ৰাজত্ব কালতো ভালেমান পুথিয়ে চিত্রৰূপ লাভ কৰিছিল। তাৰ ভিতৰত আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত চিত্রৰূপ লাভ কৰা উল্লেখনীয় পুথিসমূহ হৈছে— *হস্তীবিদ্যার্ণৱ, আনন্দ-লহৰী, গীত-গোবিন্দ', শঙ্খচূড় বধ কাব্য, ধর্মপুৰাণ, কল্কিপুৰাণ* আৰু *লৱ-কুশৰ যুদ্ধ*। আহোম স্বর্গদেউ শিৱসিংহৰ পত্নী অম্বিকাদেৱীৰ পৃষ্ঠপোষকতাত সুকুমাৰ বৰকাথে *হস্তিবিদ্যার্ণৱ* পুথিখন ৰচনা কৰিছিল। দলাচলতে এই পুথিখন গজশাস্ত্রহে। পুথিখনত নানা তৰহৰ হাতীৰ চিত্র অঙ্কন কৰা আছে। পুথিখনত ১৭১ খন ৰঙীণ চিত্র অঙ্কন কৰা আছে। ৰঙা, নীলা, সেউজীয়া, বগা, ক'লা, গুলপীয়া, বেঙুনীয়া আৰু ছাই ৰঙেৰে পুথিখনৰ ছবিসমূহ অঙ্কন কৰা হৈছিল।পণ্ডিত হেমচন্দ্র গোস্বামীয়ে এই পুথিখনৰ চিত্রশৈলীৰ বিষয়ে এনেদৰে অভিমত প্রকাশ কৰিছে— "বিভিন্ন প্রকাৰৰ হাতীৰ চিত্র আৰু আহোম ৰাজসভাৰ দৃশ্য-সম্বলিত পুথিখনৰ প্রতি পৃষ্ঠা উচ্চ স্তৰৰ কলা-কৌশলেৰে উজ্বল প্রচুৰ চিত্রেৰে চিত্রিত। কেনেকৈ আহোম ৰজাৰ ৰাজসভা বহুৱাইছিল, ৰজাৰসাক্ষাতত কেনেকৈ শেন মেলোৱা হৈছিল, শোভাযাত্রাত আহোম ৰজা কেনেকৈ হাতীত উঠি গৈছিল— এনে দৃশ্যৰ প্রকাশক চিত্রবোৰৰ শিল্পমূল্য আৰু ঐতিহাসিক মূল্যও যথেষ্ট বেছি। ছবিবোৰ পানীৰ ৰঙেৰে বোলোৱা; তাৰে যথেষ্ট সংখ্যক সোণপানী চৰোৱা। অনেক বছৰ পাৰ হৈ যোৱা সত্ত্বেও আৰু পুথিখন সযত্নে চোৱা মেলা নকৰা সত্ত্বেও ছবিৰ ৰং আৰু সোণৰ উজ্বলতা সুন্দৰ হৈ আছে।"

হস্তীবিদ্যার্ণৱ পিছতে আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত পোৱা আন এখন চিত্রপুথি হ'ল— *আনন্দ লহৰী*।এই পুথিখন ৰৰৰজা ফুলেশ্বৰীৰ পৃষ্ঠপোষকতাত ৰচনা কৰা হৈছিল। পুথিখনৰ বিষয়বস্তু প্রধানতঃ শাক্তসাহিত্যকেন্দ্রিক। এই পুথি দুখনৰ উপৰি ৰজা শিৱসিংহ আৰু কুঁৱৰী ফুলেশ্বৰীৰ পৃষ্ঠপোষকতাত কবিৰাজ চক্রৱর্তীয়ে ক্রমে *শঙ্খচূড় কাব্য* আৰু *গীত গোবিন্দ*, শিৱসিংহ আৰু অম্বিকাদেৱীৰ পৃষ্ঠপোষকতাত *ধর্মপুৰাণ* আৰু ৰজা ৰুদ্রসিংহৰ নির্দেশত *কল্কিপুৰাণ* আদি পুথিসমূহক চিত্রৰূপ প্রদান কৰে। *ধর্মপুৰাণ* পুথিখন কবিচন্দ্র দ্বিজে অসমীয়ালৈ অনুবাদ কৰি লিগিৰাৰ দ্বাৰা চিত্রৰূপ দিয়ে। আনহাতে, ৰুচিনাথ কন্দলিয়ে *কল্কিপুৰাণ* কাব্যখন ৰচনা কৰে আৰু নিপুণ শিল্পীৰ হাতৰ পৰশত ইয়াৰ চিত্রকলাই মূর্ত হৈ উঠে। আহোম ৰজাসকলৰ পিছতে পুথিচিত্রৰ ইতিহাসত দৰঙী ৰজাসকলে আগবঢ়োৱা অৱদানো কোনো গুণে কম নহয়। দৰঙী ৰজাৰ পৃষ্ঠপোষকতাত ৰচিত হোৱা এখন উল্লেখযোগ্য সচিত্র পুথি হ'ল— *দৰং ৰাজবংশাৱলী*। এই পুথিখন সূর্যখড়ি দৈৱজ্ঞই ৰচনা কৰিছিল।

উল্লেখ্য যে, পুৰণি পদ্ধতিৰে চিত্রবোৰত হেঙুল, হাইতাল, নীল, কাজল, শিলিখা ৰস আৰু ধল বা খৰিমাটি ব্যৱহাৰ কৰি অঙ্কন কৰা হৈছিল। অসমীয়া সত্রীয়া চিত্রবোৰৰ ৰং ব্যৱহাৰত

এটা সৰলতা পৰিলক্ষিত হয়। আনহাতে, সিংহাসন, শৰাই আদি কিছুমান সম্ভাৰত স্থানীয় প্ৰভাৰ ভালদৰেই চকুত পৰে। সিংহাসনত আৰু অকলশৰীয়াকৈ সিংহৰ প্ৰাচুৰ্য্য দেখা যায়। শিৱসাগৰত দেখা *সমুদ্ৰ মন্থন* নামৰ সচিত্ৰ পুথিখনত এটা উটৰ ছবি দেখা গৈছে। সত্ৰীয়া চিত্ৰত ই এটা মন কৰিবলগীয়া বিশেষত্ব।

অসমৰ সত্ৰীয়া চিত্ৰকলা গড়গাঁৱৰ পৰা কোচবিহাৰলৈকে বিস্তৃত আছিল। মহাৰাজ ৰুদ্ৰসিংহৰ দিনত এই চিত্ৰকলাই চৰম উৎকৰ্ষ লাভ কৰিছিল। সত্ৰীয়া চিত্ৰকলা সত্ৰৰ বাহিৰতো চৰ্চা হৈছিল। বুৰঞ্জী লিখাত অসমীয়া যেনে চহকী, পুথি চিত্ৰিত কৰা বিষয়তো অসমীয়াৰ বিশেষত্ব আছিল। উপৰ্যুক্ত আলোচনাৰ পৰা এটা কথা প্ৰতীয়মান হয় যে অসমৰ পুথিচিত্ৰৰ ইতিহাসত সাঁচিপতীয়া পুথিসমূহে এখনি বিশিষ্ট স্থান অধিকাৰ কৰি আছে। ওপৰত উল্লেখ কৰা সাঁচিপতীয়া পুথিসমূহৰ উপৰি বহুতো চিত্ৰপুথি অসমৰ বিভিন্ন ঠাইত যেনে— অসমৰ সত্ৰ, নামঘৰ, উপাসনা গৃহ, পুথিভঁৰাল, ৰাজ্যিক সংগ্ৰহালয় আদিত সংৰক্ষিত হৈ আছে। বৰ্তমান ভাৰত চৰকাৰে পুথিচিত্ৰৰ জৰীপ আৰু সংগ্ৰহৰ কাম আৰম্ভ কৰিছে। এই কাৰ্যৰ যোগেদি অসমৰ পুথিচিত্ৰৰ বিষয়ে বহুতো তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ অসমত পোৱা পুথিচিত্ৰৰ নিদৰ্শন সমূহ ক'ত ক'ত পোৱা যায়? এই বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(৭৫টা শব্দৰ ভিতৰত লিখক)



১০.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- অসমৰ স্থাপত্য আৰু ভাস্কৰ্য কলাৰ ইতিহাস অতি প্ৰাচীন। এই ইতিহাসক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি— প্ৰাক্-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য আৰু আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য।
- প্ৰাক্-আহোম যুগৰ স্থাপত্য-ভাস্কৰ্যত গুপ্ত শৈলীৰ প্ৰভাৱ দেখা যায়। এই সময়ছোৱাত প্ৰধানকৈ মঠ নিৰ্মাণ হোৱাটো উল্লেখনীয়।
- অসমৰ স্থাপত্য-ভাস্কৰ্যৰ ইতিহাসত আহোম যুগৰ অৱদানো উল্লেখনীয়। গদাধৰ সিংহৰ সময়লৈকে ৰাজপ্ৰাসাদ আদি বাঁহ-কাঠেৰে নিৰ্মাণ কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত শিল, ইটা আদিৰ সহায়ত ৰাজকাৰেং আদিকে ধৰি অন্যান্য স্থাপত্য নিৰ্মাণ হ'বলৈ ধৰে। এই সময়ছোৱাত নিৰ্মাণ হোৱা ৰাজঅট্টালিকা, দ'ল-দেৱালয়, দলং-সাঁকো, মৈদাম আদি উল্লেখনীয় স্থাপত্য। ভাস্কৰ্যৰ ভিতৰত শিলত কটা ভাস্কৰ্য, কাঠ খোদাই ভাস্কৰ্য আৰু পোৱামাটিৰ ভাস্কৰ্য উল্লেখ কৰিব পাৰি।

- অতি প্ৰাচীন কালৰ পৰাই অসমত চিত্ৰকলাৰ চৰ্চা হৈছিল। অসমৰ চিত্ৰকলাৰ ইতিহাসত বৈষ্ণৱ অথবা মধ্যযুগৰ অৱদান বিশেষ গুৰুত্বপূৰ্ণ। প্ৰধানকৈ তুলাপাত, সাঁচিপাত, মুগা কাপোৰ আদিক পুথিচিত্ৰৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হৈছিল। *চিত্ৰ ভাগৱত, হস্তীবিদ্যাৰ্ণৱ, আনন্দ লহৰী, গীত-গোবিন্দ* আদি অসমৰ লেখত ল'বলগীয়া পুথিচিত্ৰ।



১০.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) অসম সাহিত্য সভা (১৯৮৭); *অসমীয়া জাতিৰ ইতিবৃত্ত*, 'বজালী দৰ্পণ', পাঠশালা ঃ অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশন।

২) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি*, ডিব্ৰুগড় ঃ বনলতা।

৩) দেৱগোস্বামী, কেশৱানন্দ (২০০০); *সত্ৰ সংস্কৃতিৰ ৰূপৰেখা*, ডিব্ৰুগড় ঃ বনলতা।

৪) নেওগ, মহেশ্বৰ (সম্পাঃ) (১৯৬৯); *পৰিত্ৰ অসম*, যোৰহাট ঃ অসম সাহিত্য সভা।

৫) নেওগ, মহেশ্বৰ (১৯৯১); *পুৰণি অসমৰ সমাজ আৰু সংস্কৃতি*, গুৱাহাটী ঃ নিউ বুক ষ্টল।

৬) নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা (সম্পাদনা) (১৯৮৯); *অসমীয়া সংস্কৃতি*, ডিব্ৰুগড় ঃ বনলতা।

৭) বৰুৱা, বিৰিঞ্চিকুমাৰ (১৯৯২); *অসমৰ লোক সংস্কৃতি*, পাণবজাৰ, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৮) ৰাজবংশী, পৰমানন্দ (সম্পাঃ) (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি*, গুৱাহাটী ঃ অসমীয়া বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়।

৯) শৰ্মা, নবীনচন্দ্ৰ (২০০৭); *অসমীয়া লোক-সংস্কৃতিৰ আভাস*, গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, পাণবজাৰ।

ইংৰাজী গ্ৰন্থ ঃ

১০) Choudhury, P. C. (1966); *History and Civilisation of the People of Assam*; Guwahati.

১১) Sarma, S. N. (1986); *A Socio-Economic and Cultural History of Medieval Assam*; Guwahati.



১০.৭ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ পুৰণি কালত ভাৰতবৰ্ষত শিৱ, সূৰ্য, বিষ্ণু আৰু শক্তি দেৱীৰ নামত মন্দিৰ নিৰ্মাণ হৈছিল... ...এই মন্দিৰসমূহৰ চমু পৰিচয় আগবঢ়াওক।

২নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ দৰং, কামৰূপ, গোৱালপাৰা, শদিয়া, শিৱসাগৰ, নগাঁও আদি ঠাইত প্ৰাক্-আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্যৰ নানা নিদৰ্শন দেখিবলৈ পোৱা যায়... ...কি কি নিদৰ্শন পোৱা যায় সেইবোৰৰ বিষয়ে চমুকৈ লিখিব লাগিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অসমৰ প্ৰাচীন স্থাপত্য শৈলী গুপ্ত শৈলীৰ ওচৰ চপা... ...সেই স্থাপত্য শৈলীৰ বিৱৰণ। কি কি কাৰণত এই স্থাপত্যবোৰ ধ্বংস হ'ল তাৰ প্ৰকৃত কাৰণ (যেনে— বানপানী, ভূই কঁপ আদি) লিখিব লাগিব।

৪নং প্ৰশ্নৰ উত্তৰ ঃ শিৱ দ'লৰ শিখৰত কি দেখা যায় তাৰ উল্লেখ... ...শিৱ দ'লৰ নিৰ্মাণ শৈলীৰ বৰ্ণনা... ...দ'লৰ গঠন শৈলীৰ বিষয়ে বহলাই লিখিব লাগিব।

৫নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাচীন অসমত পোৱা পুথিচিত্ৰৰ নিদৰ্শনসমূহ তুলাপাত, সাঁচিপাত, মুগা কাপোৰ আদিত পোৱা যায়... ... নিদৰ্শনসমূহ ক'ত ক'ত পোৱা গৈছে তাৰ চমু বিৱৰণ দাঙি ধৰিব লাগিব।



১০.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমৰ স্থাপত্য আৰু ভাস্কৰ্য সম্পৰ্কে এটি চমু পৰ্যালোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ অসমৰ স্থাপত্য আৰু ভাস্কৰ্যক কেইটা ভাগত ভাগ কৰি আলোচনা কৰিব পৰা যায়। এটি আলোচনা দাঙি ধৰক।

প্ৰশ্ন ৩ ঃ বৰ্তমানলৈকে উদ্ধাৰ হোৱা অসমৰ স্থাপত্যৰাজিৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ আহোম যুগৰ ভাস্কৰ্যশৈলী সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৫ ঃ প্ৰাক্-আহোম যুগৰ মন্দিৰ স্থাপত্যৰ গঠন শৈলী সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৬ ঃ অসমৰ স্থাপত্য-ভাস্কৰ্যৰ নিৰ্মাণত কি কি যুগৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়? বহলাই আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ অসমৰ পুথিচিত্ৰৰ ইতিহাসৰ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৮ ঃ অসমৰ সাঁচিপতীয়া পুথি— এই সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

*** ***** ***